**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 17-02-2026**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্য চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় বৰ্গৰ চাকৰিৰ ক্ষেত্ৰত চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ বাবে ৩ শতাংশ পদ সংৰক্ষণত আজি অসম মন্ত্ৰীসভাই অনুমোদন জনায়। দিছপুৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাই বিদ্যালয়ৰ শিক্ষকসকলৰ বাবে আৰ্জিত ছুটী বছৰি ১৫ দিনলৈ বৃদ্ধিত অনুমোদন জনায়। মন্ত্ৰীসভাই লগতে মিছন বসুন্ধৰা দ্বিতীয় পৰ্যায়ৰ অধীনত ১০ খন জিলাৰ ৩১৯টা ভূমিহীন পৰিয়ালক গৃহ নিৰ্মাণৰ বাবে চৰকাৰী খাচ আৰু চিলিং উদ্বৃত্ত ভূমি বন্দোৱস্তীত অনুমোদন জনাইছে। ধেমাজি জিলাত ক্ৰীড়া আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে মন্ত্ৰীসভাই জিলাখনৰ চৰকাৰী ভূমি অসম ক্ৰিকেট সন্থাক প্ৰদানৰ বাবে অনুমোদন জনায়। যোৰহাটৰ বৰভেটিত ঐতিহ্য আন্তঃগাঁথনি উন্নয়নৰ বাবে সংহত প্ৰকল্প নিৰ্মাণ কৰিবলৈ কেবিনেটে ১৯ কোটি ৫৯ লাখ টকাৰ আৱণ্টনত অনুমোদন জনাইছে। এই প্ৰকল্পত নামঘৰ আন্তঃগাঁথনি আৰু এলেকা উন্নয়নৰ কাম-কাজ সামৰি লোৱা হৈছে। তদুপৰি মহিলা উদ্যমিতা অভিযানৰ অধীনত অতিৰিক্ত এক লাখ ৭ হাজাৰ ৫৩২ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক প্ৰাৰম্ভিক মূলধন মোকলাই দিয়াৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন জনায়। কাৰ্বি আংলং জিলাৰ লাংৰ'কুত নিৰ্মাণ হ'বলগীয়া সৈনিক স্কুলৰ বাবে আৱণ্টন ১০০ কোটিৰ পৰা ৩৩৫ কোটি ৮৭ লাখ টকালৈ বৃদ্ধিৰ বাবে কেবিনেটে অনুমোদন জনায়। বৈঠকৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়—-

**বাইট (চি এম)**

০০০০০০০

অসম লোকসেৱা আয়োগে আজি ৰাজ্য চৰকাৰৰ বিভিন্ন পদত নিযুক্তিৰ বাবে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা-২০২৪ৰ ফলাফলৰ সংশোধিত তালিকা প্ৰকাশ কৰিছে। কালি আয়োগে তালিকা ঘোষণা কৰিছিল যদিও এই পৰীক্ষাত মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে সংৰক্ষিত পদত চৰকাৰী নিয়ম অনুসৰি প্ৰাৰ্থীৰ নাম যথাযথভাৱে উল্লেখ নোহোৱাৰ পৰিপ্ৰেক্ষিতত তালিকাখন সাময়িকভাৱে বাতিল কৰা হৈছিল। এইবাৰ অসম অসামৰিক সেৱাত নিহাৰ ৰঞ্জন ডেকা আৰু অসম আৰক্ষী সেৱাত ভাস্কৰজ্যোতি মেধীয়ে প্ৰথম স্থান লাভ কৰিছে।

প্ৰাৰম্ভিক পৰীক্ষাত ৪১ হাজাৰ ৬১২ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। মূল পৰীক্ষাত ৩ হাজাৰ ২৪৩ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল আৰু ইয়াৰে ৮৭৯ গৰাকী প্ৰাৰ্থীক মৌখিক সাক্ষাৎকাৰলৈ আমন্ত্ৰণ কৰা হৈছিল। আয়োগে ৪৫টা অসম অসামৰিক সেৱা, ২০ অসম আৰক্ষী সেৱা, ৫১টা কৰ পৰিদৰ্শক, ৯টা খণ্ড উন্নয়ন বিষয়াসহ ভিন্ন সেৱাৰ পদসমূহত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ বাছনি তালিকা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাৰ পাছত যোৱা ২০ জানুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ মৌখিক সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল।

০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিতিন নবীনে দলীয় কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই সন্দৰ্ভত মুখপাত্ৰ কল্যন গগৈয়ে আজি এখন সংবাদমেলত কয় যে ৰাষ্ট্ৰীয় সভাপতিগৰাকী কাইলৈ দিনৰ এক বজাত ডিব্ৰুগড়ৰ মোহনবাৰী বিমানবন্দৰত উপস্থিত হ'ব। ইয়াৰ পৰা তেওঁ খনিকৰ চাৰিআলিলৈ যাব। তেওঁ মানকটা খেলপথাৰত ৰাজ্যিক বিজেপিয়ে আয়োজন কৰা পৃষ্ঠা প্ৰমুখৰ সন্মিলনত ভাগ ল'ব। পাছত তেওঁ ডিব্ৰুগড় জিলা প্ৰেক্ষাগৃহত হ'বলগীয়া প্ৰবুদ্ধ নাগৰিক সন্মিলনত অংশগ্ৰহণ কৰিব। তেওঁ সন্ধিয়া সাত বজাত দলৰ প্ৰভাৰী, সহ প্ৰভাৰী তথা কৰ্মীসকলৰ সৈতে সাংগঠনিক বৈঠকত মিলিত হ'ব। পৰহিলৈ শ্ৰীনবিনে বাৰেকুৰি নামঘৰত সেৱা আগবঢ়াব আৰু সৰ্বানন্দ সিংহৰ সমাধিত শ্ৰদ্ধাঞ্জলি জনাব।

০০০০

বাংলাদেশ নেচনেলিষ্ট পাৰ্টী বি এন পিৰ মুৰব্বী টাৰিক ৰহমানে আজি বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ৰাষ্ট্ৰপতি মোহম্মদ চাহাবুদ্দিনে ৬০ বছৰীয়া ৰহমানক পুৰণি পৰম্পৰাৰ পৰা ফালৰি কাটি আহি বংগ ভৱনৰ পৰিৱৰ্তে জাতীয় সংসদৰ ছাউথ প্লাজাত আয়োজিত অনুষ্ঠানত পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে শপত গ্ৰহণ অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰে। অনুষ্ঠানত কেইবাগৰাকীও জ্যেষ্ঠ নেতা আৰু শীৰ্ষ সামৰিক বিষয়াই অংশগ্ৰহণ কৰে। শপত গ্ৰহণ কৰি ৰহমানে আইন অনুসৰি নিজৰ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। পাছত ৰাষ্ট্ৰপতিয়ে ২৫ গৰাকী কেবিনেট মন্ত্ৰী আৰু ২৪ গৰাকী ৰাজ্য মন্ত্ৰীক শপত বাক্য পাঠ কৰোৱায়। ০

০০০০

অষ্ট্ৰেলিয়া টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। শ্ৰীলংকাৰ পাল্লেকেলেত আজি জিম্বাবৱে আৰু আয়াৰলেণ্ডৰ মাজত হ'বলগীয়া গ্ৰুপ বিৰ গুৰুত্বপূৰ্ণ খেলখন বৰষুণৰ বাবে এটাও বল নেখেলোৱাকৈ পৰিত্যক্ত ঘোষণা কৰাত দুয়োটা দলে সমানে পইণ্ট লাভ কৰে। এই ফলাফলৰ সুবাদত জিম্বাবৱে গ্ৰুপ বিৰ পৰা ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰা দ্বিতীয়টো দলৰূপে পৰিগণিত হয়। শ্ৰীলংকাই গ্ৰুপ বিৰ পৰা ইতিপূৰ্বে ছুপাৰ এইটত প্ৰৱেশ কৰিছে। ইয়াৰ পূৰ্বে চেন্নাইৰ এম এ চিদাম্বৰত ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন খেলত নিউজিলেণ্ডে কানাডাক ৮ উইকেটত পৰাস্ত কৰে। নিউজিলেণ্ডে ১৭৪ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ আৰু এটা বলত দুটা উইকেট হেৰুৱাই অনায়াসে লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে কানাডাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৭৩ ৰাণ সংগ্ৰহ কৰে।

ইপিনে, মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ চিৰ এখন খেলত স্কটলেণ্ডে - নেপালক জয়ৰ বাবে ১৭১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত স্কটলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ১৭০ৰান সংগগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেপালে বাতৰি যুগুতোৱাৰ পৰলৈ ৪ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২৪ ৰান কৰি খেলি আছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**